**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 6-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি গৃহ ৰাজ্য ওড়িশালৈ যাব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিটেইনৰ সাধাৰণ নিৰ্বাচনত লেবাৰ পাৰ্টীৰ জয়ৰ বাবে নতুনকৈ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত ছাৰ কেইৰ ষ্টাৰমাৰক শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব।

৪। অসমত বছৰৰ দ্বিতীয়টো বানত ৩০ খন জিলাৰ ২৪ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে।

*আৰু*

৫। উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত আজি দ্বিতীয় বাছনিৰ ভাৰতৰ ৰোহন বোপান্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীয়ে জাৰ্মানীৰ হেণ্ড্ৰিক জেবেঞ্চ আৰু কনষ্টেনটিন ফ্ৰেনজেনৰ বিৰুদ্ধে খেলিব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি গৃহ ৰাজ্য ওড়িশালৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ পুৰীত হ'বলগীয়া বিশ্বখ্যাত ভগৱান জগন্নাথ, বলোভদ্ৰ, দেৱী শুভদ্ৰা আৰু সুদৰ্শনৰ  ৰথ যাত্ৰা চাব। ৰাষ্ট্ৰপতি ভৱনৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি শ্ৰী মতী মুৰ্মু আজি সন্ধিয়া ভূৱনেশ্বৰত হ'বলগীয়া উৎকলমানী পণ্ডিত গোপবন্ধু দাসৰ ৯৬ সংখ্যক মৃত্যু দিৱসৰ অনুষ্ঠানত উপস্থিত থাকিব। এই ভ্ৰমণকালত তেওঁ ভুবনেশ্বৰৰ উদয়গিৰি আৰু খণ্ডগিৰিৰ গুহাসমূহ পৰিদৰ্শন কৰিব। সোমবাৰে তেওঁ বিভূতি কাননগু কলেজ আৰু উৎকল সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিব। মঙলবাৰে তেওঁ ৰাষ্ট্ৰীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ ত্ৰয়োদশ সমাৱৰ্তন অনুষ্ঠানত উপস্থিত থাকিব। সেই দিনাই তেওঁ দিল্লীলৈ উভতি আহিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিটেইনৰ সাধাৰণ নিৰ্বাচনত লেবাৰ পাৰ্টীৰ জয়ৰ বাবে নতুনকৈ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত ছাৰ কেইৰ ষ্টাৰমাৰক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীমোদীয়ে কয় যে, ব্ৰিটেইনৰ সৈতে বন্ধুত্ব অধিক শক্তিশালী কৰাৰ বাবে ভাৰতে আগ্ৰহেৰে বাট চাইছে। দুয়োখন দেশৰ মাজত ইতিবাচক আৰু গঠনমূলক সহযোগিতাৰ বাবেও ভাৰত আগ্ৰহী বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে তেওঁৰ কাৰ্যকালত ভাৰত আৰু ব্ৰিটেইনৰ সম্পৰ্ক গভীৰ কৰাত সক্ৰিয় ভূমিকা লোৱা **ৰিছি ছুনাক**কো কৃতজ্ঞতা জনায়।

ষ্টাৰমাৰৰ এই জয়লাভৰ ফলত ব্ৰিটেইনত ট'ৰি দলৰ ১৪ বছৰীয়া শাসনৰ অৱসান হ'ল। এই নিৰ্বাচনত লেবাৰ পাৰ্টীয়ে ৪১২ খন আসন লাভ কৰাৰ বিপৰীতে কনজাৰভেটিভ পাৰ্টী ১২১ খন আসনত জয়ী হয়।

প্ৰধানমন্ত্ৰী নিৰ্বাচিত হোৱাৰ পাছত প্ৰথমটো ভাষণত ষ্টাৰমাৰে  দেশৰ স্বাস্থ্য সেৱা ব্যৱস্থাক উন্নত কৰাৰ বাবে ব্যৱস্থা লোৱাৰ কথা ঘোষণা কৰে। লগতে দেশৰ সীমান্ত অঞ্চল সুৰক্ষিত কৰি তোলা,  বিদ্যালয় আৰু বাসগৃহৰ প্ৰয়োজন অনুসৰি ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। ছাৰ কেইৰ ষ্টাৰমাৰে এঞ্জেলা ৰেইনাৰক উপ-প্ৰধানমন্ত্ৰী আৰু ৰাছেল ৰিভচক দেশৰ প্ৰথমগৰাকী মহিলা ছেঞ্চলৰ হিচাপে নিযুক্তি দিয়ে। তেওঁৰ মন্ত্ৰীসভাৰ ২৫ গৰাকী সদস্যৰ ১১ গৰাকী হৈছে মহিলা। য়েট্টে কুবাৰক গৃহসচিব ডেভিদ লাম্মিক গৃহ সচিব আৰু জন হেলিক প্ৰতিৰক্ষা সচিব হিচাপে নিযুক্তি দিয়া হৈছে।

ooooooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব। এই ভ্ৰমণ কালত শ্ৰী শ্বাহ আহমেদাবাদ আৰু গান্ধীনগৰত হ'বলগীয়া বিভিন্ন কাৰ্যসূচীত উপস্থিত থাকিব। গৃহমন্ত্ৰীগৰাকীয়ে গান্ধীনগৰৰ মহাত্মা মন্দিৰত ১০২ সংখ্যক আন্তৰ্জাতিক সমবায় দিৱস উপলক্ষে আয়োজিত **চাহাকড় চে সমৃদ্ধি** শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তাৰ পাছত তেওঁ বানছকান্তাৰ চাংৰা গাঁৱৰ মহিলা দুগ্ধ উৎপাদকসকলক ৰূপে ক্ৰেডিট কাৰ্ড বিতৰণ কৰিব আৰু সমবায় পাইলট প্ৰকল্প পৰিদৰ্শন কৰিব। শ্ৰী শ্বাহে গোধৰা পঞ্চমহলৰ মাহুলিয়া গাঁৱৰ সমবায় পাইলট প্ৰকল্পও পৰিদৰ্শন কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে আজি গোধৰাৰ পঞ্চমৰুত দুগ্ধ প্ৰকল্পত সকলো জিলাৰ সমবায় বেংকসমূহ আৰু দুগ্ধ প্ৰকল্পসমূহৰ অধ্যক্ষসকলৰ সৈতে বৈঠকত  মিলিত হ'ব।

শ্ৰী শ্বাহে কাইলৈ জগন্নাথ মন্দিৰত ৰথযাত্ৰা উপলক্ষে মংগল আৰতিত অংশগ্ৰহণ কৰিব। তাৰ পিছত তেওঁ আহমেদাবাদৰ নাৰণপুৰাত এখন অত্যাধুনিক চিকিৎসালয় আৰু অম্বাৰাদিত বিদ্যাৰ্থীভিৱন উদ্বোন কৰিব।

ooooooooo

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি বিয়লি আহমেদাবাদত গুজৰাট ৰাজ্যিক কংগ্ৰেছৰ এখন কৰ্মীসভাত অংশগ্ৰহণ কৰিব। এদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনলৈ যোৱা শ্ৰী গান্ধীয়ে গুজৰাটৰ ৰাজকোট ক্ৰীড়া মণ্ডলৰ অগ্নিকাণ্ডৰ ঘটনাৰ লগতে অন্যান্য কেইবাটাও ঘটনাৰ ভুক্তভোগীসকলক সাক্ষাৎ কৰিব। কংগ্ৰেছ নেতাগৰাকীয়ে বৰ্তমান আৰক্ষীৰ জিম্মাত থকা ৫ গৰাকী কংগ্ৰেছ কৰ্মীৰ পৰিয়ালৰ লোকসকলকো লগ ধৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি  আহমেদাবাদত থকা গুজৰাট প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্যালয়ৰ বাহিৰত অলপতে হোৱা বিজেপি আৰু কংগ্ৰেছ কৰ্মীৰ সংঘৰ্ষৰ পাছতে শ্ৰী গান্ধীয়ে গুজৰাটলৈ অহাৰ সিদ্ধান্ত লয়। সাংসদ ৰাহুল গান্ধীয়ে লোকসভাত দিয়া এটা মন্তব্যক কেন্দ্ৰ কৰি এই সংঘৰ্ষৰ সৃষ্টি হৈছিল।

ooooooooo

দেশৰ বৃহৎ সংখ্যক নাগৰিকৰ অংশগ্ৰহণেৰে নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** পৰহি আৰম্ভ হৈছে। অসমত  কেইবাখনো অভিলাসী জিলাত সম্পূৰ্ণতা অভিযান আৰম্ভ হৈছে। বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা, ওদালগুৰি, ডিমা হাচাও আৰু হাইলাকান্দিৰ কেইবাটাও উন্নয়ন খণ্ডক এই অভিযানে সামৰি লৈছে। অহা ৩০ ছেপ্তেম্বৰলৈকে ৩ মাহজুৰি চলিবলগীয়া এই অভিযানৰ লক্ষ্য হৈছে সকলো অভিলাষী জিলা আৰু খণ্ডত ১২টা মূল সামাজিক খণ্ডৰ সূচকৰ ক্ষেত্ৰত ১০০ শতাংশ পৰিপূৰ্ণতা লাভ কৰা।

গোৱালপাৰা জিলাৰ লক্ষীপুৰত আজি **সম্পূৰ্ণতা অভিযান** কাৰ্যসূচী আৰম্ভ কৰা হৈছে। গোপীনাথ বৰদলৈ সভাঘৰত এই উপলক্ষে বিশেষ অনুষ্ঠিত হয়। বাক্সা জিলাৰ মুছলপুৰতো আজি এই অভিযান আৰম্ভ কৰা হৈছে।

এই উপলক্ষে এটা সজাগতামূলক শোভাযাত্রা উলিওৱা হয়। বি টি চিৰ অধ্যক্ষ কাতিৰাম বড়োৱে এই শোভাযাত্রা মুকলি কৰে। এই কাৰ্যসূচীত জিলা আয়ুক্ত কৃষ্ণা বৰুৱা উপস্থিত থাকে।

এই অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পৌষ্টিক আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক ড০ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জয়ন্তীত আজি শ্ৰদ্ধাৰে নেতাগৰাকীক সোঁৱৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে, ড০ শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে তেওঁৰ বলিষ্ঠ ৰাষ্ট্ৰীয় চিন্তাৰে ভাৰতবাসীক গৌৰৱান্বিত কৰিছিল। তেওঁ লগতে কয় যে, মাতৃ ভূমিৰ প্ৰতি তেওঁৰ সমৰ্পণ আৰু আত্মত্যাগৰ কথাই সদায় দেশবাসীক অনুপ্ৰাণিত কৰি ৰাখিব।

গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, যেতিয়াই দেশত একতা আৰু সমন্বয়ৰ আলোচনা কৰা হয় তেতিয়াই ড০ শ্যামাপ্ৰসাদ মুখাৰ্জীক স্মৰণ কৰা হয়। তেওঁ লগতে কয় যে ড০ মুখাৰ্জীয়ে দেশলৈ তেওঁৰ নিজস্ব মতাদৰ্শৰ অৱদানেৰে জনসংঘ স্থাপন কৰিছিল আৰু তেওঁৰ আদৰ্শই ৰাষ্ট্ৰ প্ৰথম নীতিৰে দেশবাসীক আগবাঢ়ি যোৱাত সদায় প্ৰেৰণা যোগাব।

০০০০০০০০০

অসমত বছৰৰ দ্বিতীয়টো বানত ৩০ খন জিলাৰ ২৪ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। বিগত ২৪ ঘণ্টাত বানত ৰাজ্যখনত কোনো লোকৰ মৃত্যু হোৱা নাই। গুৱাহাটী মহানগৰত বৰষুণৰ পানীয়ে সৃষ্টি কৰা বানত স্বাভাৱিক জীৱন যাত্ৰা বিঘ্নিত হৈছে। মহানগৰখনৰ বিভিন্ন পথ-উপপথত পানী জমা হৈ থকাত যাতায়াতত অসুবিধাৰ সৃষ্টি হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিয়া আগজাননী অনুসৰি উজনি অসমৰ বিভিন্ন স্থানত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। শেহতীয়া বানত ৰাজ্যখনৰ প্ৰায় ৪৭ হাজাৰ লোকে ঘৰ-বাৰী পানীত ডুব যোৱাত সাময়িকভাৱে সাহায্য শিবিৰত থাকিবলগীয়া হৈছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই কমেও ১০০ বন্য জন্তুক উদ্ধাৰ কৰিছে। আনহাতে দুৰ্ভাগ্যজনকভাৱে বানত উদ্যানখনৰ প্ৰায় ৯০ টা জন্তুৰ মৃত্যু হৈছে।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ বাৰ্ষিক অমৰনাথ যাত্ৰা সুকলমে অব্যাহত আছে। যাত্ৰাৰ কালি সপ্তম দিনত ২১ হাজাৰ ৬৮৬ গৰাকী তীৰ্থ যাত্ৰীৰ অমৰনাথ গুহা দৰ্শন কৰে। ইয়াকে ধৰি যোৱা ২৯ জুনৰ পৰা আৰম্ভ হোৱা অমৰনাথ যাত্ৰাত এতিয়ালৈকে এক লাখ ৫২ হাজাৰ ৯৬৪ গৰাকী তীৰ্থযাত্ৰীয়ে অমৰনাথ গুহা দৰ্শন কৰে। কটকটীয়া নিৰাপত্তা বেষ্টনীৰ

মাজত আজি নিচেই পুৱা জম্মুৰ ভগৱতী নগৰ শিবিৰৰ পৰা পাঁচ হাজাৰ ৮৭৬ গৰাকী যাত্ৰী ২৪৫ খন বাহনেৰে অমৰনাথলৈ যাত্ৰা কৰিছে।

০০০০০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত আজি দ্বিতীয় বাছনিৰ ভাৰতৰ ৰোহন বোপান্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীয়ে জাৰ্মানীৰ হেণ্ড্ৰিক জেবেঞ্চ আৰু কনষ্টেনটিন ফ্ৰেনজেনৰ বিৰুদ্ধে খেলিব। বোপান্না-এবডেন যুটীয়ে নেডাৰলেণ্ডছৰ ৰবান হাছ আৰু ছেণ্ডাৰ এৰেণ্ডছক ৭-৫, ৬-৪ ছেটত পৰাজিত কৰি দ্বিতীয় ৰাউণ্ডত অগ্ৰগতি লাভ কৰে।

পুৰুষৰ ছিংগলছত আজি পুৱা শীৰ্ষ বাছনিৰ জেনিক ছিনাৰে অবাছনি প্ৰাপ্ত ছাৰ্ব মিয়'মিৰ কেকমেন'ভিছক ৬-১, ৬-৪, ৬-২ ছেটত পৰাজিত কৰি চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে। মহিলাৰ ছিংগলছত শীৰ্ষ বাছনিৰ আইগা ছিৱাটেকে তৃতীয় ৰাউণ্ডত য়োলিয়া পুটিনছেভাৰ বিৰুদ্ধে খেলিব।

০০০০০০০০০

**সমাপ্ত**